**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 16-08-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। অসমক দেশৰ তৃতীয়খন দ্ৰুত বিকাশশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পদক্ষেপ সন্দৰ্ভত স্বাধীনতা দিৱসৰ ভাষণত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ আলোকপাত।

২। উত্তৰ-পূৰ্বাঞ্চলৰ আঠাইকেইখন ৰাজ্যতে কালি বৰ্ণাঢ্য কাৰ্যসূচীৰে ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন।

৩। অসম চুক্তিৰ প্ৰতিটো দফা আখৰে আখৰে পালন কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক আহ্বান।

৪। গুৱাহাটীত অনুষ্ঠিত পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত আজিৰ নাট - গোভাৰজা ছত্ৰসিং-অপ্ৰতিৰোধ্য দেওৰজা।

*আৰু*

৫। নাগালেণ্ডৰ ৰাজ্যপাল লা গণেশনৰ দেহাৱসান। তেওঁৰ মৃত্যুত ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ শোক প্ৰকাশ।

০০০০০০০০

অসমক দেশৰ তৃতীয়খন দ্ৰুত বিকাশশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰপৰ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটী মহানগৰীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত পতাকা উত্তোলন কৰি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী শৰ্মাই চাংসাৰিত উত্তৰ-পূবৰ প্ৰথমখন এইমছ, গুৱাহাটীৰ প্ৰস্তাৱিত ৰিং ৰোড প্ৰকল্প, কলিয়াবৰ, নুমলীগড়ত এলিভেটেড কৰিডৰ, নুমলীগড়-গহপুৰ সংযোগী সুৰংগ পথৰ লগতে কেইবাটাও প্ৰকল্পৰ কথা তেওঁৰ ভাষণত উল্লেখ কৰে। ৰাজ্যখনত এহেজাৰ ৫০০ কিলোমিটাৰ ৰে'লপথৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হৈছে বুলি উল্লেখ কৰাৰ লগতে অহা ডিচেম্বৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ টাৰ্মিনেল উদ্বোধন কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

ইপিনে, ৰাজ্যত বিগত ৪ বছৰত ১১ হাজাৰৰো অধিক বিদ্ৰোহীয়ে হিংসাৰ পথ ত্যাগ কৰি মূলসুঁতিলৈ উভতি আহিছে বুলি উল্লেখ কৰি ডঃ শৰ্মাই কয়, যে ২০২১ চনৰ পৰা ১১ হাজাৰৰো অধিক নিষিদ্ধ ঘোষিত সংগঠনৰ সদস্যক পুনৰ সংস্থাপন দিয়া হৈছে। তেওঁ কয়, যে আলফা, আদিবাসী আৰু ডিমাচা উগ্ৰপন্থীৰ সৈতে শান্তি চুক্তি সম্পন্ন কৰা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ এই শান্তি চুক্তি অনুসৰি ৰাজ্যৰ আন্তঃগাঁথনি বিকাশৰ বাবে ৪ হাজাৰ কোটি টকাৰ আৱণ্টনত অনুমোদন জনাইছে।

০০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তত কালি ৭৯ সংখ্যক স্বাধীনতা দিৱস উলহ-মালেহেৰ উদযাপন কৰা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ আঠাইকেইখন ৰাজ্যতে বৰ্ণাঢ্য কাৰ্যসূচীৰে স্বাধীনতা দিৱস উদযাপন কৰা হয়। অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই স্বাধীনতা দিৱস উপলক্ষে দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাৰ্গ দৰ্শনেৰে সমগ্ৰ দেশ আত্মনিৰ্ভৰ হোৱাৰ দিশত আগবাঢ়ি গৈছে বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী মহানগৰীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত স্বাধীনতা দিৱসত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ লগতে কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰে। ডঃ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোহিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অসমক দেশৰ তৃতীয়খন দ্ৰুত বিকাশশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়য়েও মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত উল্লেখ কৰে।

অৰুণাচল প্ৰদেশৰ ইটানগৰৰ আই জি উদ্যানত আয়োজিত স্বাধীনতা দিৱসৰ মূল কাৰ্যসূচীত মুখ্যমন্ত্ৰী প্ৰেমা খাণ্ডুৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। শ্ৰী খাণ্ডুৱে ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ দিশত আলোকপাত কৰি কয়, যে অৰুণাচল প্ৰদেশ চৰকাৰে ২০২৫ৰ পৰা ২০৩৫ বৰ্ষক জলশক্তি দশক হিচাপে ঘোষণা কৰিছে। ৰাজ্যখনত অহা তিনি বছৰত দুই লাখ কোটি টকা ব্যয় সাপেক্ষে নতুন জলশক্তি প্ৰকল্প আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী খাণ্ডুৱে প্ৰকাশ কৰে।

নাগালেণ্ডতো কালি স্বাধীনতা দিৱস উপলক্ষে বিভিন্ন ঠাইত বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হয়। ক'হিমাৰ নাগালেণ্ড অসামৰিক সচিবালয় প্লাজাত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী নেইফিও ৰিঅ'ৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ লগতে কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে দেশৰ স্বাধীনতা আন্দোলনত প্ৰাণ হেৰুওৱা সাহসী যুঁজাৰু সকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি কয়, যে তেওঁলোকৰ সাহস, ত্যাগ আৰু নিস্বাৰ্থ সেৱাই অনাগত প্ৰজন্মক সদায় অনুপ্ৰাণিত কৰি যাব।

মিজোৰামৰ মুখ্যমন্ত্ৰী লালদুহ'মাই স্বাধীনতা দিৱস উপলক্ষে দিয়া ভাষণত তেওঁৰ নতুন পদ্ধতি নীতিৰ অধীনত ৰাজ্যখনৰ বিত্তীয় ব্যৱস্থা শক্তিশালী কৰা, দুৰ্নীতি প্ৰতিৰোধ আৰু নিকা প্ৰশাসনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সংস্কাৰসমূহৰ বিষয়ে উল্লেখ কৰে। মিজোৰাম দেশৰ প্ৰথমখন সম্পূৰ্ণ সাক্ষৰ ৰাজ্য হিচাপে পৰিগণিত হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী লালদুহ'মাই ৰাজ্যখনে বিশ্বমানৰ ৰে'লৱে ষ্টেচন নিৰ্মাণৰ প্ৰস্তুতি চলাইছে আৰু ২০৩৬ চনৰ অলিম্পিকৰ বাবে ক্ৰীড়া পুঁজি বৃদ্ধি কৰিছে বুলি উল্লেখ কৰে।

ত্ৰিপুৰাতো উলহ-মালহেৰে দেশপ্ৰেমৰ ভাৱনাৰে স্বাধীনতা দিৱস পালন কৰা হয়। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড° মাণিক সাহাই আগৰতলাৰ আছাম ৰাইফল্‌ছৰ খেল-পথাৰত অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। তেওঁ অপাৰেচন সিন্দূৰত সৈনিকসকলৰ ভূমিকাৰ বাবে অভিনন্দন জনোৱাৰ উপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আত্মনিৰ্ভৰ ভাৰতৰ কথা সুঁৱৰি জনসাধাৰণক ভোকেল ফৰ লোকেল পদক্ষেপত সমৰ্থন আগবঢ়াবলৈ আহ্বান জনায়।

oooooooo

সমগ্ৰ ৰাজ্যতে কালি শান্তিপূৰ্ণভাৱে স্বাধীনতা দিৱস উদযাপন কৰা হয়। বিভিন্ন প্ৰান্তত কিছু ব্যতিক্ৰমীভাৱে স্বাধীনতা দিৱস পালন কৰাৰ উপৰি এই দিৱস উপলক্ষে খেল-ধেমালিকে ধৰি অন্যান্য কাৰ্যসূচী অনুষ্ঠিত হয়।

স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি প্ৰতি বছৰৰ দৰে এইবাৰো শিলচৰৰ মধুৰবন্দৰ কাছাৰ স্পোৰ্টিং ক্লাবে বৰাক নদীত নাও খেল প্ৰতিযোগিতাৰ আয়োজন কৰে। স্থানীয় ভাষাত নাও বাইচ হিচাপে পৰিচিত এই পৰম্পৰাগত নাও খেল উপভোগৰ বাবে কালি বৰাক নদীৰ পাৰত বহুসংখ্যক লোক সমবেত হয়। এইবাৰৰ প্ৰতিযোগিতাত বৰাক উপত্যকাৰ ৩ খন জিলাৰ উপৰি উজনি অসমৰ বিভিন্ন স্থানৰ প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰে।

মৰিগাঁৱৰ পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যত স্বাধীনতা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। পতাকা উত্তোলনৰ পাছত বন কৰ্তৃপক্ষই অভয়াৰণ্যৰ পৰা এটা মটৰ চাইকেল সমদল উলিয়ায়। দুপৰীয়াৰ ভাগত হাদুক বিলত বনৰক্ষী বাহিনী, মাউট আৰু অন্যান্য কৰ্মচাৰীসকলৰ মাজত নাওখেল প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

৭৯ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেছনে কালি 'সহযোগ' শীৰ্ষক এটা বিশেষ কাৰ্যসূচী আৰম্ভ কৰে। কৰ্কট ৰোগীসকলৰ যত্ন তথা এই ৰোগ নিৰাময়ৰ ক্ষেত্ৰত তেওঁলোকক সকলো সময়তে সাহস আৰু সমৰ্থনেৰে সহায় আগবঢ়োৱা পৰিয়ালৰ সদস্যসকলৰ প্ৰতি সন্মান জনায় অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেছনে ৰাজ্যৰ ৯ খন চিকিৎসালয়ত এই পদক্ষেপ আৰম্ভ কৰিছে। লখিমপুৰ জিলাত অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনে আয়োজন কৰা বিশেষ কাৰ্যসূচীত জিলাখনৰ কৰ্কট ৰোগৰ পৰা আৰোগ্য লাভ কৰা লোকসকলে একত্ৰিত হৈ পতাকা উত্তোলন কৰে। ইয়াৰ জৰিয়তে এই ৰোগত আক্ৰান্ত হৈ থকা আন লোকসকলৰ মনোবল আৰু উৎসাহ বৃদ্ধিৰ শক্তিশালী বাৰ্তা প্ৰেৰণ কৰা হয়।

oooooooo

ঐতিহাসিক অসম চুক্তি সম্পাদিত হোৱাৰ ৪০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে সদৌ অসম ছাত্ৰ সন্থাই কালি লতাশিল খেল পথাৰত আয়োজিত এটা কাৰ্যসূচীত অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা জনাই বন্তি প্ৰজ্বলন কৰে। কাৰ্যসূচীত ভাগ লৈ সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই অসম চুক্তিৰ প্ৰতিটো দফা আখৰে আখৰে পালন কৰিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক দাবী জনায়।

বাইট (সমুজ্জ্বল)

অসম যুৱ পৰিষদৰ উদ্যোগত গুৱাহাটীৰ দীঘলী পুখুৰী পাৰত আয়োজিত অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে অসম আন্দোলনৰ ৮৫৫ গৰাকী ছহিদৰ সোঁৱৰণত শ্ৰদ্ধা নিবেদন কৰে।

বাইট (কেশৱ মহন্ত)

ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ উদ্যোগত কালি জিলা সদৰত অসম চুক্তিৰ ৪০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে এই আন্দোলনৰ ছহিদসকললৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অসম চুক্তিক ৰাষ্ট্ৰীয় প্ৰতিশ্ৰুতি বুলি উল্লেখ কৰি সংগঠনটোৱে এই চুক্তি ৰূপায়ণ কৰি খিলঞ্জীয়া লোকৰ পৰিচয় ৰক্ষা কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়।

০০০০০০০০

স্বাধীনতা সংগ্ৰামৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাৰ আয়োজন কৰা হৈছে। এই নাটমেলাত কালি স্বাধীনতা দিৱসৰ দিনটোত হিল্লোল কুমাৰ পাঠকৰ **গোপীনাথ-যুগজয়ী স্বপ্নদ্ৰষ্টা** নাট মঞ্চস্থ কৰা হয়। অবিনাশ শৰ্মাই পৰিচালনা কৰা আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে পৰিৱেশন কৰা এই মনোগ্ৰাহী নাটখনৰ দুটাকৈ দৰ্শনী অনুষ্ঠিত হয়। কালি দ্বিতীয় দৰ্শনীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য উপস্থিত থাকে। ৰাজ্যপালগৰাকীয়ে কলাক্ষেত্ৰ সমাজৰ এই সজ প্ৰয়াসৰ শলাগ লয়। উল্লেখযোগ্য যে কালি নাট মঞ্চস্থ হোৱাৰ পূৰ্বে কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰে অত্যাধুনিক প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগেৰে প্ৰেক্ষাগৃহ পৰিসৰত আয়োজন কৰা স্বৰাজ পৰিক্ৰমা শীৰ্ষক প্ৰদৰ্শনী আৰু পূৰ্বৰংগ নামৰ কলাত্মক কাৰ্যসূচী মুকলি কৰে। নাট মেলাত আজি মঞ্চস্থ হ'বলগীয়া নাট সম্পৰ্কে আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰাই এইদৰে কয়-

***(বাইট ঃ হেমন্ত বৰা)***

উল্লেখযোগ্য যে প্ৰতিদিনে সন্ধিয়া পাঁচ বজাৰ পৰা অনুষ্ঠিত এই নাটমেলাৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মূল প্ৰৱেশদ্বাৰত ১৮ আগষ্ট পৰ্যন্ত নিতৌ দিনৰ ১১ বজাৰ পৰা বিয়লি ৪ বজালৈ প্ৰৱেশ পত্ৰ সংগ্ৰহ কৰিব পাৰিব। ১২ বছৰৰ অনুৰ্ধ শিশুৰ প্ৰেক্ষাগৃহত প্ৰৱেশত বাধা থাকিব।

০০০০০০০০

নাগালেণ্ডৰ ৰাজ্যপাল লা গণেশনৰ কালি সন্ধিয়া চেন্নাইৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ। জ্যেষ্ঠ বিজেপি নেতা লা গণেশনক ২০২৩ চনৰ ফেব্ৰুৱাৰীত নাগালেণ্ডৰ ৰাজ্যপাল হিচাপে নিয়োগ কৰা হৈছিল। ইয়াৰ পূৰ্বে তেওঁ মণিপুৰৰ ৰাজ্যপাল আৰু পশ্চিমবংগৰ অতিৰিক্ত ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। চেন্নাইত আজি বিয়লি পাঁচ বজাত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যপালগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰীমতী মুৰ্মুৱে এটা বাৰ্তাত প্ৰয়াত গণেশনৰ দীঘলীয়া আৰু সমৰ্পিত জনসেৱাক স্মৰণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা শোকবাৰ্তাত কয়, যে ৰাষ্ট্ৰ নিৰ্মাণ আৰু জনসেৱাত জীৱন উৎসৰ্গা কৰা শ্ৰী গণেশন সদায় এগৰাকী জাতিয়তাবাদী ব্যক্তি হিচাপে স্মৰণীয় হৈ ৰ'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে প্ৰয়াত গণেশনৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

০০০০০০০০

প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰতৰত্ন সন্মানেৰে সন্মানিত অটল বিহাৰী বাজপেয়ীৰ সপ্তম মৃত্যু বাৰ্ষিকীত আজি সমগ্ৰ ৰাষ্ট্ৰই প্ৰয়াত নেতাগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত থকা তেওঁৰ স্মৃতিসৌধ **সদৈৱ অটলত** প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ পুষ্পাৰ্ঘ্য নিবেদন কৰে। কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, জে পি নাড্ডা, কিৰেন ৰিজিজু, গজেন্দ্ৰ সিং শেখাৱত, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাকে ধৰি ভালেমান গণ্যমান্য ব্যক্তিয়ে এই উপলক্ষে আয়োজিত অনুষ্ঠানত উপস্থিত থাকি সু-শাসনৰ প্ৰতিভু প্ৰয়াত বাজপেয়ীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

00000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। **"স্বাধীনতাৰ প্ৰত্যাশা-কি পালো, কি নাপালো"** শীৰ্ষক এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন স্থানৰ কেইবাগৰাকীও বৰ্ষীয়ান ব্যক্তিয়ে স্বৰাজোত্তৰ কালৰ অভিজ্ঞতা ব্যক্ত কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

এইখিনিতে শ্ৰোতাসকলক জনাই থওঁ যে, স্বাধীনতা দিৱস উপলক্ষে বাতৰি কাকতৰ কাৰ্যালয় সমূহ কালি বন্ধ থকাৰ পৰিপ্ৰেক্ষিতত আজি কোনো বাতৰি কাকত প্ৰকাশ হোৱা নাই। সেয়েহে আজি বাতৰিকাকতৰ শিৰোনামৰ পৰ্যালোচনা আগবঢ়াব পৰা হোৱা নাই।

00000000

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি লখিমপুৰ জিলাৰ নাওবৈচা সমষ্টিৰ তেলাহী খণ্ডৰ অন্তৰ্গত কলিতা গাঁৱত পঞ্চায়ত প্ৰতিনিধিসকলৰ এখন সভাত ভাগ লয়। সভাত সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক নৱ কুমাৰ দলে উপস্থিত থাকে। এই সভাতে অহা ২৯ আগষ্টত গৃহমন্ত্ৰী অমিত শ্বাহৰ পঞ্চায়ত সন্মিলনত অংশগ্ৰহণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে ১৭ ছেপ্তেম্বৰৰ পৰা পালন কৰিবলগীয়া সেৱা সপ্তাহৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰা হয়। ডাঃ পেগুৱে পঞ্চায়ত প্ৰতিনিধি তথা দলীয় কৰ্মকৰ্তাসকলক তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণেৰে এই কাৰ্যসূচী সফল কৰি তোলাৰ বাবে সাংগঠনিক পৰ্যায়ত সাজু হ'বলৈ আহ্বান জনায়।

হোজাই জিলাতো কালি আৰ্তৰ্ভ ভৱনত অনুষ্ঠিত এখন সভাত মন্ত্ৰী কেশৱ মহন্তই প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ অসমৰ ভ্ৰমণৰ সৈতে জড়িত বিভিন্ন কাৰ্যসূচীৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে।

00000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে বিজুলী-ঢেৰেকনীৰ সৈতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

00000000

**সমাপ্ত**